**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-06-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে সম্প্ৰতি বিশ্বৰ বিভিন্ন অংশত দেখা দিয়া ক্ৰমবৰ্ধমান উৎকণ্ঠা, অস্থিৰতা আৰু অশান্তিৰ দৰে পৰিস্থিতিসমূহৰ মাজত যোগে শান্তিৰ পথ দেখুৱায়।

২। ভাৰতবৰ্ষৰ লগতে বিশ্বৰ আন বিভিন্ন দেশতো আজি আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হৈছে।

৩। ইৰাণে ইজৰাইলৰ আক্ৰমণ অব্যাহত থকা অৱস্থাত দেশখনৰ পাৰমাণৱিক আঁচনিৰ ভৱিষ্যত সন্দৰ্ভত কোনোধৰণৰ আলোচনা নকৰে বুলি স্পষ্ট কৰি দিছে।

৪। ভাৰত আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত এণ্ডাৰচন-টেণ্ডুলকাৰ ট্ৰফীৰ প্ৰথমখন টেষ্ট মেচত ভাৰতে কালি সংগ্ৰহ কৰা ৩৫৯ ৰানৰ পৰা আজি দ্বিতীয় দিনৰ খেল আৰম্ভ কৰিব। ***আৰু***

৫। পেৰিছ ডায়মণ্ড লীগত ৮৮ দশমিক ১-৬ মিটাৰলৈ জেভলিন দলিয়াই ভাৰতৰ তাৰকা খেলুৱৈ নীৰজ চোপ্ৰাই স্বৰ্ণ পদক অৰ্জন কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে সম্প্ৰতি বিশ্বৰ বিভিন্ন অংশত দেখা দিয়া ক্ৰমবৰ্ধমান উৎকণ্ঠা, অস্থিৰতা আৰু অশান্তিৰ দৰে পৰিস্থিতিসমূহৰ মাজত যোগে শান্তিৰ পথ দেখুৱায়। বিশাখাপট্টনমত আয়োজিত একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ অনুষ্ঠানত নেতৃত্ব প্ৰদান কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এইবেলি ২১ জুনৰ দিনটোত সমগ্ৰ বিশ্ববাসী একাদশবাৰলৈ যোগাভ্যাসৰ বাবে ঐক্যবদ্ধ হৈছে। এই কাৰ্যই সমগ্ৰ বিশ্বৰ জনসাধাৰণ সুন্দৰভাৱে একেদল হোৱাটোক সূচাইছে বুলিও তেওঁ মত প্ৰকাশ কৰে। তেওঁ কয় যে মানৱ সমাজক শ্বাস গ্ৰহণ, ভাৰসাম্য ৰক্ষা আৰু সামগ্ৰিকভাৱে এটা শক্তি হিচাপে পুনৰ অৱতীৰ্ণ হোৱাৰ ক্ষেত্ৰত যোগ, পৰিবৰ্তনৰ বাহক হিচাপে বিবেচিত হৈছে।

তেওঁ কয় যে এইবেলি যোগ দিৱসৰ মূলমন্ত্ৰ, এখন বিশ্বৰ বাবে আৰু এটা স্বাস্থ্যৰ বাবে যোগৰ বিষয়টোৱে বৰ্তমানৰ আৰু ভৱিষ্যতৰ প্ৰজন্মৰসমূহৰ বাবে সুখী তথা স্বাস্থ্যকৰ ভৱিষ্যতৰ দিন নিশ্চিত কৰাৰ উদ্দেশ্যে বিশ্ববাসী কেনেদৰে একগোট হৈছে সেই কথাটোকেই সূচায়। সমগ্ৰ বিশ্বত যোগক অধিক প্ৰসাৰিত কৰাৰ উদ্দেশ্যে ভাৰতে যোগ বিজ্ঞানক আধুনিক গৱেষণাৰ জৰিয়তে শক্তিশালী কৰি তোলাৰ প্ৰয়াস কৰিছে বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে দেশৰ আগশাৰীৰ চিকিৎসা প্ৰতিষ্ঠানসমূহো সম্প্ৰতি যোগ বিষয়ৰ গৱেষণাত ব্ৰতী হৈছে। যোগৰ বৈজ্ঞানিক দিশটোক আধুনিক চিকিৎসা ব্যৱস্থাৰ সৈতে জড়িত কৰোৱাৰ বাবে চেষ্টা চলাই আহিছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে এয়া কেৱল এটা প্ৰস্তাৱৰ প্ৰতি সমৰ্থনেই নহয়, বৰঞ্চ মানৱৰ কল্যাণৰ বাবে ই সামূহিক প্ৰচেষ্টা হিচাপে পৰিগণিত হৈছে।

সমগ্ৰ দেশৰ আন বিভিন্ন অংশতো আজি একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উৎসাহ-উদ্দীপনাৰে পালন কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ডেৰাডুনত আয়োজিত এটা অনুষ্ঠানত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি যোগৰ উপকাৰিতাৰ বিষয়ে উল্লেখ কৰে।

ৰাষ্ট্ৰীয় ৰাজধানীস্থিত আকাশবাণীৰ মুখ্য কাৰ্যালয়তো আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি আজি বিশেষ যোগ কাৰ্যসূচীৰ আয়োজন কৰা হয়। আকাশবাণীৰ সঞ্চালক প্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড়, অতিৰিক্ত সঞ্চালক প্ৰধান এল মধু নাগ আৰু অন্যান্য বিষয়া কৰ্মচাৰীসকলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি যোগাভ্যাস কৰে।

০০০০০

বাংলাদেশৰ ঢাকাত থকা ভাৰতীয় উচ্চায়োগে আজি যোগ দিৱস উপলক্ষে বৃহৎ কাৰ্যসূচীৰ আয়োজন কৰে। ইন্দিৰা গান্ধী সাংস্কৃতিক কেন্দ্ৰৰ যোগ শিক্ষক আৰু শিক্ষাৰ্থীসকলে সামগ্ৰিক যোগবিধিৰ নেতৃত্ব দিয়ে।

০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত হেডিংলিত অনুষ্ঠিত এণ্ডাৰচন-টেণ্ডুলকাৰ ট্ৰফীৰ পাঁচখনীয়া শৃংখলাৰ প্ৰথমখন টেষ্ট মেচৰ আৰম্ভণিৰ দিনা কালি ভাৰতে তিনিটা উইকেটৰ বিনিময়ত ৩৫৯ ৰান সংগ্ৰহ কৰে। অধিনায়ক শুভমন গীল আৰু সহ-অধিনায়ক ঋষভ পণ্টে  আজি আবেলি দ্বিতীয় দিনৰ খেল আৰম্ভ কৰিব।

ভাৰতে কালি প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি য়শস্বী জয়ছোৱাল আৰু কে এল ৰাহুলৰ বেটিঙেৰে দৃঢ় আৰম্ভণি কৰে যদিও কে এল ৰাহুল ৪২ ৰান কৰি ব্ৰাইডন কাৰ্ছৰ বলত আউট হয়। অৱশ্যে য়শস্বী জয়ছোৱালে তেওঁৰ টেষ্ট ক্ৰিকেটৰ পঞ্চমটো শতক অৰ্জন কৰি চাহ বিৰতিৰ পিছত বেন ষ্টোকৰ বলত আউট হয়। কালি টেষ্ট অভিষেক ঘটা সাই সুদৰ্শনে মাত্ৰ ৪ টা বল খেলি কোনো ৰান নকৰাকৈ আউট হয়। শুভমন গীলে সুন্দৰ প্ৰদৰ্শনেৰে প্ৰথমখন টেষ্ট ক্ৰিকেটত অধিনায়ক হিচাপে শতক অৰ্জন কৰা বিজয় হাজাৰে, সুনীল গাভাস্কাৰ, দিলীপ ভেংচৰকাৰ আৰু বিৰাট কোহলীৰ পাছতে প্ৰসিদ্ধ ক্ৰিকেট খেলুৱৈৰ তালিকাত নিজৰ নাম সংযোজিত কৰে। গীলে লগতে টেষ্ট ক্ৰিকেটত দুহেজাৰ ৰান সম্পূৰ্ণ কৰে। ঋষভ পণ্টেও টেষ্ট ক্ৰিকেটত তিনি হাজাৰ ৰান অতিক্ৰম কৰে। নতুন নেতৃত্বৰ অধীনত ভাৰতৰ যুৱ ক্ৰিকেট দলটোৱে আজি দ্বিতীয় দিনা উল্লেখনীয় সফলতা লাভৰ বাবে চেষ্টা কৰিব।০০০০০

০০০০

দেশৰ সামগ্ৰিক প্ৰত্যক্ষ কৰ সংগ্ৰহৰ পৰিমাণ ২০২৫-২৬ বিত্তীয় বৰ্ষত ৪ দশমিক ৮-৬ শতাংশ বৃদ্ধি পাই, যোৱা ১৯ জুনত  ৫লাখ ৪৫ হাজাৰ কোটি টকা হৈছে। যোৱা বছৰৰ এই একেই সময়ছোৱাত এই পৰিমাণ আছিল ৫ লাখ ১৯ হাজাৰ কোটি টকা। অৱশ্যে শুদ্ধ প্ৰত্যক্ষ কৰ সংগ্ৰহৰ হাৰ ১ দশমিক ৩-৯ শতাংশ হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। আয়কৰ বিভাগে জাৰি কৰা তথ্য অনুসৰি আগতীয়া কৰ সংগ্ৰহৰ পৰিমাণ ১ লাখ ৫৫ হাজাৰ কোটি টকাতকৈ অধিক হৈছে আৰু এই হাৰো ৩ দশমিক ৮-৭ শতাংশ বৃদ্ধি হোৱা দেখা গৈছে। কৰ্পৰেট খণ্ডৰ অগ্ৰিম কৰ পৰিশোধৰ হাৰ ৫ দশমিক ৮-৬ শতাংশ বৃদ্ধিৰ বিপৰীতে অন্যান্য খণ্ডৰ কৰদাতাসকলৰ পৰা হোৱা সংগ্ৰহৰ হাৰ ২ দশমিক ৬-৮ শতাংশ হ্ৰাস পাইছে। ০০০০

০০০০

ভাৰতীয় নৌসেনাৰ জাহাজ, আই এন এছ টেগ মৰিচাছৰ ৰাষ্ট্ৰীয় উপকূল ৰক্ষী বাহিনী (এন চি জি)ৰ জাহাজ আৰু বিমানৰ সৈতে মৰিচাছৰ একচেটিয়া অৰ্থনৈতিক অঞ্চল যৌথ নিৰীক্ষণ কৰিবলৈ মৰিচাছৰ প'ৰ্ট লুইছত উপস্থিত হৈছে। ২২ জুনলৈকে দক্ষিণ-পশ্চিম ভাৰত মহাসাগৰীয় অঞ্চলত জাহাজখনে অভিযান চলাব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এক বিবৃতিত কয় যে জাহাজখনত কাইলৈ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ উপলক্ষত যৌথ যোগ শিবিৰ অনুষ্ঠিত হ'ব। ০০০

০০০০

ইৰাণে ইজৰাইলৰ আক্ৰমণ অব্যাহত থকা অৱস্থাত দেশখনৰ পাৰমাণৱিক আঁচনিৰ ভৱিষ্যত সন্দৰ্ভত কোনোধৰণৰ আলোচনা নকৰে। কালি জেনেভাত অনুষ্ঠিত পৰমাণু বিষয়ৰ এখন বৈঠকত দেশখনে এই কথা স্পষ্ট কৰি দিয়ে। ফ্ৰান্স, ব্ৰিটেইন, জাৰ্মানী আৰু ইউৰোপীয় সংঘৰ বিদেশ মন্ত্ৰীসকলৰ সৈতে অনুষ্ঠিত ইৰাণৰ বিদেশ মন্ত্ৰীৰ বৈঠকখনত তেওঁ এইকথা প্ৰকাশ কৰে। ০০০০

ইজৰাইল আৰু ইৰাণৰ মাজত উদ্ভৱ হোৱা সংঘৰ্ষৰ আজি নৱম দিনাও দুয়োখন দেশে পৰস্পৰৰ বিৰুদ্ধে বিমান আক্ৰমণ অব্যাহত ৰাখিছে। যোৱা নিশা ইজৰাইলে ইৰাণৰ পাৰমানৱিক আন্তগাঠনিত সামৰিক আক্ৰমণ সংঘটিত কৰে। ইজৰাইলি সেনাই প্ৰকাশ কৰা মতে দেশখনে মধ্য ইৰাণৰ ক্ষেপনাস্ত্ৰ ঘাটি আৰু আন্তগাঠনিত এলানি আক্ৰমণ সংঘটিত কৰিছে। একেদৰে ইৰাণৰ চৰকাৰী সংবাদ মাধমেও আজি নিচেই পুৱাতে ইস্ফাহানত থকা এটা পাৰমাণৱিক আন্তগাঠনিৰ স্থানত ইজৰাইলে আক্ৰমণ কৰা বুলি প্ৰকাশ কৰে।

০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত হেডিংলিত অনুষ্ঠিত এণ্ডাৰচন-টেণ্ডুলকাৰ ট্ৰফীৰ পাঁচখনীয়া শৃংখলাৰ প্ৰথমখন টেষ্ট মেচত ভাৰতে কালি সংগ্ৰহ কৰা ৩৫৯ ৰানৰ পৰা আজি দ্বিতীয় দিনৰ খেল আৰম্ভ কৰিব। খেলখনৰ আৰম্ভণিৰ দিনা কালি ভাৰতে তিনিটা উইকেটৰ বিনিময়ত ৩৫৯ ৰান সংগ্ৰহ কৰে। কালিৰ খেলৰ শেষলৈ অধিনায়ক শুভমন গীলে ১২৭ আৰু সহ-অধিনায়ক ঋষভ পণ্টে ৬৫ ৰান কৰি খেলি আছিল।

ভাৰতে কালি প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি য়শস্বী জয়ছোৱাল আৰু কে এল ৰাহুলৰ বেটিঙেৰে দৃঢ় আৰম্ভণি কৰে যদিও কে এল ৰাহুল ৪২ ৰান কৰি ব্ৰাইডন কাৰ্ছৰ বলত আউট হয়। অৱশ্যে য়শস্বী জয়ছোৱালে তেওঁৰ টেষ্ট ক্ৰিকেটৰ পঞ্চমটো শতক অৰ্জন কৰি চাহ বিৰতিৰ পিছত বেন ষ্টোকৰ বলত আউট হয়। কালি টেষ্ট অভিষেক ঘটা সাই সুদৰ্শনে মাত্ৰ ৪ টা বল খেলি কোনো ৰান নকৰাকৈ আউট হয়। শুভমন গীলে সুন্দৰ প্ৰদৰ্শনেৰে প্ৰথমখন টেষ্ট ক্ৰিকেটত অধিনায়ক হিচাপে শতক অৰ্জন কৰা বিজয় হাজাৰে, সুনীল গাভাস্কাৰ, দিলীপ ভেংচৰকাৰ আৰু বিৰাট কোহলীৰ পাছতে প্ৰসিদ্ধ ক্ৰিকেট খেলুৱৈৰ তালিকাত নিজৰ নাম সংযোজিত কৰে। গীলে লগতে টেষ্ট ক্ৰিকেটত দুহেজাৰ ৰান সম্পূৰ্ণ কৰে। ঋষভ

পণ্টেও টেষ্ট ক্রিকেটত তিনি হাজাৰ ৰান অতিক্ৰম কৰে। নতুন নেতৃত্বৰ অধীনত ভাৰতৰ যুৱ ক্রিকেট দলটোৱে আজি দ্বিতীয় দিনা উল্লেখনীয় সফলতা লাভৰ বাবে চেষ্টা কৰিব।

০০০০০

ফ্রান্সৰ ষ্টেড ছেবাষ্টিয়েন চাৰ্লটিত অনুষ্ঠিত পেৰিছ্ ডায়মণ্ড লীগত যোৱা নিশা ৮৮ দশমিক ১-৬ মিটাৰলৈ জেভলিন দলিয়াই ভাৰতৰ তাৰকা খেলুৱৈ নীৰজ চোপ্রাই স্বৰ্ণ পদক অৰ্জন কৰিছে। দুবাৰকৈ অলিম্পিকৰ পদক বিজেতা নীৰজ চোপ্রাই প্রথমবাৰতে ৮৮ দশমিক ১-৬ মিটাৰলৈ জেভলিন দলিয়াই এই সফলতা লাভ কৰিবলৈ সমৰ্থ হয়। প্রতিযোগিতাত জাৰ্মানীৰ জুলিয়ান ৰেবাৰ ৮৭ দশমিক ৮-৮ মিটাৰেৰে দ্বিতীয় স্থান থাকে। নীৰজে এই বছৰত প্রথমবাৰৰ বাবে জুলিয়ান ৰেবাৰক পাচ পেলাবলৈ সমৰ্থ হৈছে। যোৱা মাহত অনুষ্ঠিত দোহা ডায়মণ্ড লীগত ৰেবাৰে  ৯১ দশমিক ০-৬ মিটাৰলৈ জেভলিন দলিয়াই নিজৰ সৰ্বশ্রেষ্ঠ প্রদৰ্শন আগবঢ়াইছিল। প্রতিযোগিতাত নীৰজ চোপ্রাই ৯০ দশমিক ২-৩ মিটাৰলৈ জেভলিন নিক্ষেপ কৰি প্রথমবাৰৰ বাবে ৯০ মিটাৰ অতিক্ৰম কৰিছিল। ০০০